


> সাহিত্য সভা, শংকৰ সংঘ, ছাত্ৰ সন্থা, সত্ৰ মহাসভা, বাৰেচহৰীয়া ভাওনা আদি বৃহৎ অনুষ্ঠানসমূহে প্ৰকৃত আধ্যাত্মিক, শৈক্ষিক আৰু দক্ষতা বিকাশৰ প্ৰাথমিক চৰ্ত লৈ আগবাঢ়িলে অসমৰ মানুহৰ সামূহিক...

# উৎসৱ-অনুষ্ঠান-অধিৱেশন আৰু সাম্প্ৰতিক সময়

**কুশল কুমাৰ দাস**

অসমীয়া জাতিৰ উৎসৱ-অনুষ্ঠানৰ লগতে বৃহৎ অধিৱেশন অক্টোবৰ মাহৰ পৰা আৰম্ভ হ'বলৈ ধৰে। এনে অনুষ্ঠানৰ লগত জড়িত হৈ পৰে অসংখ্য সাধাৰণ লোক। ব্যক্তিগত জীৱনৰ কৰ্মব্যস্ততাক জলাঞ্জলি দি সমাজ-সংস্কৃতি আৰু জাতিৰ পৰিচয় ধৰি ৰাখিবলৈ জড়িত হোৱাটো প্ৰয়োজন; অন্যথা বহুজাতিক সমাজ ব্যৱস্থাত নিজৰ অস্তিত্বৰ চিন-চাব নাইকিয়া হোৱাৰ শংকা থাকে। সেইবাবে ভাৰতবৰ্ষৰ চুকে-কোণে উৎসৱ-অনুষ্ঠানৰ জাকজমকতা বৃদ্ধি পাইছে; কোনে কিমান ধৰণে আনক প্ৰভাৱিত কৰি অস্তিত্ব প্ৰতিপন্ন কৰিব পাৰে; তাৰ বাবেই বহুতো জাতীয় তথা ধৰ্মীয় অনুষ্ঠানে অঘোষিত প্ৰতিযোগিতাত লিপ্ত হয়। সমসাময়িক ৰাজনৈতিক বাতাৱৰণে সাৰ্বজনীন দুৰ্গা পূজা, কালীপূজা আদি অনুষ্ঠানৰ সৈতে কেৱল ধৰ্ম আৰু ব্যৱসায় জড়িত হৈ পৰাত উৎসৱসমূহ বহুজাতিক উদ্যোগৰ হাতৰ পুতলা হৈ পৰিছে। বৃহৎ দল, সংগঠন, সংঘ আদিৰ অধিৱেশনস্থলীৰ সাৰ্বজনীন অভিধা ব্যৱসায়ৰ মেলা হৈ পৰিছে। ইতিমধ্যে হেৰাই যোৱা আৰু যাবলৈ ধৰা অসমীয়া জাতিৰ ঐতিহ্য সম্পদসমূহৰ প্ৰদৰ্শনীসমূহে একমাত্ৰ জাতিৰ পৰিচয় ধৰি ৰাখিবলৈ যৎপৰোনাস্তি চেষ্টা কৰাৰ বাহিৰে অসমীয়া জাতিৰ অন্য উপায় যেন হাতত নাই। কাৰণ সকলো মানুহৰ ব্যক্তিগত আৰু দৈনন্দিন জীৱন বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ লগত প্ৰত্যক্ষ বা পৰোক্ষভাৱে চামিল হ'বলৈ বাধ্য। সেয়ে অসমত কেইটামান বৃহৎ অনুষ্ঠানৰ উপৰি আঞ্চলিক ভিত্তিত হোৱা বিভিন্ন অনুষ্ঠানত পাহৰণিৰ গৰ্ভত হেৰাই যাবলৈ ধৰা বিষয়ক লৈ হ'লেও চহৰৰ মজিয়াত গাঁও নিৰ্মাণ, লগতে বিভিন্ন ঐতিহ্যৰ মেলাৰ পয়োভৰ বাঢ়িছে। বহাগ বিহুৰ পৰা লাহে লাহে বৃহৎ অনুষ্ঠানৰ শিথিলতা আহে; কাৰণ বৰদৈচিলাই সকীয়াই দিয়ে বিগত দিনৰ কঠোৰ ৰূঢ় বাস্তৱতাৰ কথা। ধুমুহা-বজ্ৰপাত-বানপানী-খহনীয়া— প্ৰাকৃতিক তথা কৃত্ৰিম দুৰ্যোগসমূহৰ পৰা কোনোৱে ৰক্ষা পাব নোৱাৰে। এনে সমস্যাবোৰ অসমীয়া মানুহৰ আজন্ম চিনাকি। এনে সময়ত যিদৰে বৃহৎ অনুষ্ঠান নাথাকে, একেদৰে শিক্ষাৰ্থীসকলৰ গুৰুত্বপূৰ্ণ পৰীক্ষাসমূহো নহয়। অকল প্ৰাকৃতিক দুৰ্যোগে এচাম শিক্ষাৰ্থীক শিক্ষাগ্ৰহণত বাধাপ্ৰাপ্ত কৰে। কেৱল বৃহৎ অনুষ্ঠানৰ সময়তে প্ৰতিটো প্ৰজন্মৰ শিক্ষাৰ্থীয়ে বৃহৎ প্ৰত্যাহ্বানৰ মুখামুখি হৈ আহিছে। উৎসৱসমূহ ঋতুকালীন বাবে নিৰ্দিষ্ট সময়ত হয় আৰু শিক্ষাৰ্থীয়ে আগতীয়া প্ৰস্তুতিৰে আগবাঢ়ে, কিন্তু ভাগে ভাগে অসমৰ বিভিন্ন ঠাইত হোৱা অধিৱেশনসমূহৰ পাৰ্শ্বক্ৰিয়াৰ প্ৰভাৱ কোনোৱে হয়তো অস্বীকাৰ নকৰিব। অসমীয়া জাতিৰ পৃথিৱীৰ ভিতৰতে বিৰল ভাষাৰ সাহিত্যানুষ্ঠান 'অসম সাহিত্য সভা'ৰ অধিৱেশন নিৰবচ্ছিন্ন ভাৱে হৈ আহিছে। অসম সাহিত্য সভাৰ বাহিৰেও বিভিন্ন জনগোষ্ঠীয় সাহিত্য সভাসমূহৰো ভাগে ভাগে বৰ্ষাত অধিৱেশনসমূহ বিভিন্ন ঠাইত হয়। ভাষাৰ শ্ৰী-বৃদ্ধি আৰু নিজা সংস্কৃতিৰ আত্মপ্ৰকাশৰ পৰিঘটনা অসমৰ ৰাইজে দেখি আহিছে। এসময়ত অসমীয়া ভাষাৰ অতন্দ্ৰ প্ৰহৰীৰ দৰে সাহিত্য সভাৰ প্ৰতি জাতি-বৰ্ণ-ভাষা-ধৰ্ম নিৰ্বিশেষে নিঃস্বাৰ্থ পৰকাষ্ঠা আছিল, সেয়া আজি পানী মিঠৈত পৰিণত হৈছে। অসমীয়া মানুহৰ হিয়াৰ আমঠু অসম সাহিত্য সভাক কটূক্তি কৰা লোকৰ সংখ্যা ইমানে বাঢ়িছে যে হেৰুৱা আস্থা কেতিয়া ঘূৰি আহিব ইয়াৰ নিশ্চয়তা আকাশত চাং পতাৰ লেখীয়া হৈছে। ১৯৮৭ চনত মহেন্দ্ৰ বৰাৰ সভাপতিত্বত হোৱা পাঠশালা অধিৱেশনতকৈয়ো ২০২৫ বৰ্ষৰ অধিৱেশন নানান কাৰু-কাৰ্যৰে ৰজাঘৰীয়াৰ আশীৰ্বাদপুষ্ট হৈ ৰংচঙীয়া হ'ল আৰু জনসমুদ্ৰত বজালী উথল-মাথল হৈ পৰিল। জাতি-বৰ্ণ-ধৰ্ম আৰু ৰাজনীতিৰ ঊৰ্দ্ধত গৈ ১৯১৭ চনৰ পৰা পাই অহা আস্থা আৰু সেৱা, আদৰ-সাদৰ, ভাষাৰ মৰ্যাদা ঘূৰি আহিব বুলি আমি আশাবাদী। নতুন সভাপতিৰ পৰা অসমীয়া ৰাইজে অন্তিম আশা নিশ্চয় কৰিব। 'যদি'(IF) বিখ্যাত ইংৰাজ কবি ৰুদয়াৰ্ড কিপলিঙৰ বিখ্যাত কবিতা আওৰাই সন্তুষ্টি লোৱাৰ বাহিৰে 'যদি' একো নাথাকে? তেন্তে এনে অধিৱেশনৰ দ্বাৰা নিজে কৰা আত্মশ্লাঘাৰ নামান্তৰ হ'ব আৰু আমি তাকে কৰি আহিছোঁ। নতুন সভাপতিৰ ক্ষেত্ৰত 'যদি'ৰ এটা স্তৱকত 'To serve your turn long after they are gone, And so hold on when there is nothing in you, Except the Will which says to them: 'Hold on!' তেওঁলোক যোৱাৰ পাছত আপোনাৰ সেৱা কৰাৰ পাল পৰিছে, আপোনাৰ হাতত একো নাথাকিলেও মাত্ৰ উইলত কোৱা হৈছে, 'ধৰি ৰাখক।' অগ্নি পৰীক্ষাৰ অন্তিম ক্ষণত দায়িত্ব লোৱাজনৰ, তেওঁ মাথোন ধী-মান সাহিত্য সভাক মেলামুখী মহত্বক এৰুৱাই নতুন চোলা পিন্ধাবলৈ বিচৰা চাবলৈ অসমৰ ৰাইজে ধৈৰ্য ধৰি থাকিব। অধিৱেশন মানে অনুষ্ঠানৰ নতুন বিষয়বাবৰ দায়িত্ব গ্ৰহণৰ কাৰ্যক্ৰমণিকা। এনে অনুষ্ঠানৰ সৈতে আজিকালি নানান সংযোজন ঘটোৱা হ'ল। আগতে কেৱল সভাপতিৰ অভিভাষণৰ মাজতে অসমীয়া জাতিৰ ভাষা-সাহিত্যৰ আশাব্যঞ্জক বীজমন্ত্ৰ নিহিত হৈ আছিল আৰু আছিল জাতিৰ আশা-ভৰসাৰ লগতে সংগ্ৰামী জীৱনৰ ভৱিষ্যতৰ ৰেখাপাত। তাৰেই আশাত দূৰ-দূৰণিৰ পৰা সাহিত্য-প্ৰেমীৰ সমাগমস্থলী লোকাৰণ্য হৈ পৰিছিল। নিজে সভাপতিৰ দৌৰত প্ৰতিদ্বন্দ্বিতা কৰি সভাপতি হোৱা আৰু মনোনীত কৰা সভাপতিৰ মাজৰ সীমাৰেখা নিৰ্ধাৰণ কৰাৰ ফলতে সাহিত্য সভাৰ প্ৰতি মানুহৰ আস্থা কমি অহা যেন অনুভৱ হয়। একেদৰে অসমৰ আন বৃহৎ অনুষ্ঠানসমূহৰ ভিতৰত সদৌ অসম ছাত্ৰ সন্থা



আৰু শংকৰ সংঘৰ অধিৱেশন চকুত লগাকৈ প্ৰতিবছৰে জাক-জমকতাৰে অনুষ্ঠিত হয়। ছাত্ৰ সন্থা ছাত্ৰ নেতাৰ অনুষ্ঠান যদিও অসমৰ জাতীয় জীৱনৰ অতন্দ্ৰ প্ৰহৰীৰ দৰে জাতিৰ স্বাৰ্থৰ প্ৰতি দায়বদ্ধ এক অনুষ্ঠান। শিক্ষাৰ্থীৰ শিক্ষা জীৱন বাধাপ্ৰাপ্ত নোহোৱাকৈ অসমৰ বিভিন্ন সমস্যাসমূহৰ হৈ মাত মাতি অহা ছাত্ৰ সন্থাৰ অপৰিহাৰ্যতা অসমৰ ৰাইজে মৰ্মে মৰ্মে উপলব্ধি কৰে। স্বাধীনতাৰ আগত ১৯৪০ চনৰ অসম ছাত্ৰ সন্মিলন প্ৰথম আৱম্ভণি যদিও পাছলৈ দুটা ভাগত বিভক্ত হৈ অল আছাম ষ্টুডেণ্ট ফেডাৰেশ্যন আৰু আছাম ষ্টুডেণ্ট কংগ্ৰেছ গঠন হৈছিল। কিছুদিনৰ পাছত পুনৰ সদৌ অসম ছাত্ৰ সংস্থা আৰু ১৯৬৭ চনত হে সদৌ অসম ছাত্ৰ সন্থাৰ আত্মপ্ৰকাশ হৈছিল। ১৯৭৯ চনত ছাত্ৰ সন্থাৰ দ্বাৰা গঠন হৈছিল সদৌ অসম গণ সংগ্ৰাম পৰিষদ। য'ত নিয়োজিত হৈ আছিল ছাত্ৰ সন্থা, অসম সাহিত্য সভা, পূৰ্বাঞ্চলীয় লোক পৰিষদ, অসম যুৱক সমাজ, জাতীয়তাবাদী দল, উকীল সন্থা আদি। ছাত্ৰ সন্থাই অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ বাবে নানান সংকটৰ সময়ত নেতৃত্ব বহন কৰিছিল। এতিয়াও তেনে ভূমিকাৰে অসমৰ স্বাৰ্থৰ হকে কাম কৰি যোৱাটো অসমৰ ৰাইজে বিচাৰে। কেৱল অধিৱেশন পাতিয়ে ছাত্ৰ সন্থাই অস্তিত্ব প্ৰতিপন্ন কৰিলে শেষ কথা হ'ব নোৱাৰে; কাৰণ প্ৰতিজন ছাত্ৰ নেতাৰ লগত জড়িত হৈ আছে নিজৰ পৰিয়াল, সমাজ আৰু বৃহৎ অসমীয়া জাতি। প্ৰতিজন শিক্ষাৰ্থীৰ শিক্ষা জীৱনত জ্ঞান আহৰণ প্ৰাথমিক প্ৰয়োজন, তাৰ পাছতহে সমাজৰ অন্য সমস্যাবোৰত চকু দিয়া। গতিকে শিক্ষা জীৱন বাধাপ্ৰাপ্ত নোহোৱাৰ প্ৰতি সদৌ অসম ছাত্ৰ সন্থাই বিশেষ গুৰুত্ব দিয়া প্ৰাথমিক চৰ্ত হ'লেহে যুগৰ সৈতে অসম সমানে আগবাঢ়ি যাব পাৰিব। বৃজন অংকৰ টকা ব্যয় কৰি পতা অধিৱেশনৰ দ্বাৰা আমি আমাৰ মাজতে নিজৰ স্থিতি প্ৰতিপন্ন কৰাৰ বাহিৰে সৰ্বভাৰতীয় মানুহৰ দৃষ্টি আকৰ্ষণ কৰা সম্ভৱ নহয়। কেৱল কামাখ্যাৰ অম্বুবাচী মেলাৰ বাহিৰে চৰকাৰী ৰাজহ লাভৰ অন্য মেলামুখী অনুষ্ঠান দেখা নাযায়। শংকৰ সংঘৰ বৃহৎ অনুষ্ঠানতো সাধাৰণভাৱে জীৱন নিৰ্বাহ কৰা ভক্তৰ পৰা ৰাজনৈতিক, সাংস্কৃতিক আদি ক্ষেত্ৰৰ ভি পি আইৰ উপস্থিতি দেখি আহিছোঁ যদিও কুম্ভমেলাৰ দৰে বৃহৎ সমাগম নাই। গতিকে ৰাজ্যখনৰ ভিতৰে-বাহিৰে সৰু-বৰ অনুষ্ঠানত আমি ইজনে-সিজনক সম্বৰ্ধনাপৰ্ব সমাপন কৰি ঐহিক-দৈহিক সন্তুষ্টি লভোঁ। এনে অনুষ্ঠানৰ লগত দেশ- বিদেশৰ কোনো সম্পৰ্ক নাথাকে বাবে সাধাৰণ জনতাৰ মুঠিৰ ধন গুলাই যায় আৰু এচাম মুষ্টিমেয় লোকৰ সোণা গধুৰ হয়। ৰাজ্যখনত আঞ্চলিক ভিত্তিত ইমানে অনুষ্ঠান বৃদ্ধি হ'বলৈ ধৰিছে, য'ত মানুহৰ কৰ্মমুখী আৰু উৎপাদনমুখী চেতনা হেৰাই গৈছে। জাতীয় অনুষ্ঠানসমূহে এইক্ষেত্ৰত কৰ্মমুখী জাতি গঢ়ি তোলাত মনোনিৱেশ কৰা নিতান্তই প্ৰয়োজন। এখন সভা পাতি সমাজৰ প্ৰতি অৱদান নথকা ব্যক্তিৰ নামতো বঁটা সৃষ্টি কৰি সম্বৰ্ধনা জনোৱা পৰম্পৰা বৃদ্ধি পাইছে। এনে প্ৰতিযোগিতাৰ পয়োভৰে এটা জাতিক আওৰাই নিয়া কথাটো শূন্যত গদা ঘূৰোৱাৰ লেখীয়া। সাহিত্য সভা, শংকৰ সংঘ, ছাত্ৰ সন্থা, সত্ৰ মহাসভা, বাৰেচহৰীয়া ভাওনা আদি বৃহৎ অনুষ্ঠানসমূহে প্ৰকৃত আধ্যাত্মিক, শৈক্ষিক আৰু দক্ষতা বিকাশৰ প্ৰাথমিক চৰ্ত লৈ আগবাঢ়িলে অসমৰ মানুহৰ সামূহিক উন্নতি নিশ্চিত হোৱাৰ থল আছে। আমাৰ ওচৰৰ নগালেণ্ডৰ হৰ্নবিল মেলাই আন্তঃৰাষ্ট্ৰীয় গুৰুত্ব পোৱাত ৰাজ্য তথা দেশৰ ৰাজহ বৃদ্ধি হোৱাৰ লগতে জনজাতীয় চিনাকি বিশ্ব দৰবাৰত প্ৰতিষ্ঠা হৈছে। অসমত বহু সম্ভাৱনা থকাৰ পাছতো কেৱল ধৰ্মীয় আৰু ৰাজনৈতিক ক্ষেত্ৰত ব্যস্ত থকা দেখা যায়। কাজিৰঙাৰ এশিঙীয়া গঁড় কিম্বা চাহক লৈ বিশ্ববন্দিত হ'ব পৰা বৃহৎ অনুষ্ঠান এতিয়ালৈ গঢ় লৈ নুঠিল।

লেখক ঃ সহযোগী অধ্যাপক, যোৰহাট মহাবিদ্যালয়।
■ ফ'ন ঃ ৯১০১১২২৬৩৮